## কংগ্ৰেছৰ মনোবল ইমানকৈ ভাগি পৰিছে কিয় ?

দিনাংক- ১৩ জানুৱাৰী ২০১৪

অৰুণ জেটলী

ৰাজ্যসভাৰ বিৰোধী দ'লৰ নেতা

বিগত কিছু সপ্তাহৰ আগত মই দুটা মন্তব্য আগ বঢ়াইছিলো যাৰ উল্লেখ কৰিব বিচাৰিছো । প্ৰথমতে, কংগ্ৰেছে ২০১৪ ৰ নিৰ্বাচনত যোগ দিয়া ইচ্ছাশক্তি সম্পূৰ্ণ হেৰুৱাইছে । প্ৰতিযোগিতাৰ পৰা তেওঁলোক নিজে ওলাই আহিব বিচাৰিছে । দ্বিতীয়তে, ৮ ডিচেম্বৰ ২০১৩ তাৰিখে ঘোষণা কৰা ৰাজ্যৰ বিধানসভা নিৰ্বাচনৰ ফলাফলে ইউ পি এ চৰকাৰক লেঙেৰা হাহঁৰ পৰা মৰা হাহঁলৈ ৰূপান্তৰিত হোৱাৰ দ্বৰে হৈছে । এই দুয়োটা মন্তব্যৰ সৈতে ৰাজনীতিৰ অভিজ্ঞতা মতে কংগ্ৰেছ দ'লে যোগ দিয়াৰ বাবে বহুত কম চেষ্টাহে কৰা দেখা গৈছে ।

কংগ্ৰেছ দ'লে সম্পূৰ্ণৰূপে যোগ দিয়াত ভাগি পৰাত মই আচৰিত হৈছো । চৰকাৰৰ জৰুৰী কাৰ্য্য যেনে, বৈঠক কৰা, জৰুৰী ফাইল মুকলি কৰি দিয়া, কেন্দ্ৰীয় মন্ত্ৰীমণ্ডলৰ সাপ্তাহিক বৈঠক অনুষ্ঠিত কৰাৰ বাবে চৰকাৰ সম্পূৰ্ণৰূপে পংগু হৈ গৈছে । আনকি তেওঁলোকৰ মন্ত্ৰীৰ অহংকাৰী মন্তব্য আৰু টুইটচো এতিয়া দেখা পোৱা নাযায় । আৰূপ-প্ৰত্যাৰূপৰ খেল আৰম্ভ হৈছে । কিছুমান কেন্দ্ৰীয় মন্ত্ৰীয়ে প্ৰধানমন্ত্ৰীৰ কাৰ্য্যকালৰ অৰাজনৈতিক পদক্ষেপ কথা কোৱা দেখা গৈছে আৰু কিছুমান মন্ত্ৰীয়ে ক'বলৈ লৈছে যে 'এই ল'ৰাই কাৰো কথা নুশুনে ' ।

১৯৯৭, ১৯৯৮ আৰু ১৯৯৯ কেৱল আমি বি জে পি ক্ষমতাত আছিলো । ১৯৮৯ ত আমি চৰকাৰক ভাল সময়ৰ বাবে বাহিৰৰ পৰা সমৰ্থন দিছিলো । বাকী সময়ত আমি বিৰোধী দ'ল হিচাপে আছিলো । কেৱল ১৯৮৪অৰ লোকসভৰ নিৰ্বাচনত আমি মাত্ৰ ২খন আসন লাভ কৰিছিলো । দ'লৰ আদৰ্শৰ লগত আমি কেতিয়াও বুজা-বুজি কৰা নাই আৰু কেতিয়াও হাৰ মনাও নাছিলো । পুনঃ যুজঁ দিয়াৰ কথা চিন্তা নকৰি আকৌ যুজঁত নামি পৰিছিল । আনকি ২০০৪ চনৰ নিৰ্বাচনত পৰাস্ত হোৱাৰ পাছতো আমি নিজৰ কাম কৰি গৈছিলো আৰু নিজৰ প্ৰদৰ্শনক লৈ আমি গৌৰাম্বিত অনুভৱ কৰিছিলো । কমিউনিষ্ট দ'ল এতিয়া মাত্ৰ কিছু ৰাজ্যতহে সীমিত আছে । ৰাষ্ট্ৰীয় পৰ্য্যায়ত তেওঁলোকৰ শক্তি সীমিত, তথাপিও তেওঁলোকে কিবা কৰা হেপাহেৰে ৰাজনীতি কৰি গৈ আছে ।

আজি কংগ্ৰেছ কৰ্মীসকলৰ মনোবল হ্ৰাস কিয় হৈছে ? কাৰণ এইয়াই নেকি যে, যিহেতু ইমনদিন শাসনত আছিল, এতিয়া তাৰ অবিহনে জীয়াই থকাটো অসম্ভৱ হৈ পৰিছে, নে তেওঁলোকৰ অহংকাৰী ব্যৱহাৰ, দুৰ্নীতি আৰু বিভিন্ন প্ৰতিষ্ঠান যেনে - চি বি আইৰ অপব্যৱহাৰ ইয়াৰ মূল কাৰণ । তেওঁলোকে ভয় খাইছে যে ক্ষমতাত নাথাকিলে তেওঁলোক বেছিকৈ জবাবদেহী হ'ব লাগিব । তেওঁলোকৰ বহুতো মন্ত্ৰীয়ে মে ২০০১৪ ৰ পাছৰ জীৱনৰ পৰিকল্পনা কৰাও দেখা গৈছে আৰু তেওঁলোকৰ আচৰণতো মোহভংগ হোৱা দেখা পোৱা যায় ।

বিগত কিছু মাহৰ পৰা ইউ পি এ চৰকাৰে কোনো ধৰণৰ গুৰুত্বপূৰ্ণ সিদ্ধান্ত লোৱা মনত আছেনে ? তেওঁলোকে ক'ত ভুল কৰিলে তাক লৈ কংগ্ৰেছীসকলে গম্ভীৰভাৱে আত্মমন্থন কৰিব বিচাৰিছেনে ?

বংশবাদী দ'লৰ মূল সমস্যা হৈছে যে এনে দ'লৰ উৎ পত্তি কৰা বংশই দ'লক নিজৰ মতে চলাব বিচাৰে । পণ্ডিত জৱাহৰলাল নেহৰু আৰু ইন্দিৰা গান্ধীৰ ব্যক্তিত্বৰ শক্তিয়েহে কংগ্ৰেছ দ'লক আগবঢ়াই নিছিল । যদিহে একেই ব্যক্তিত্ব পিছৰ বংশত নাথাকে তেতিয়া দ'ল ভাঙি পৰাটো স্বাভাৱিক । বহুতো নেতৃত্বৰে ভৰি পৰা আৰু আদৰ্শৰে গঠন হোৱা দ'ল বেয়া সময়তো জীয়াই থাকিব পাৰে । বংশবাদী দ'লে বংশক লৈ সাতুঁ ৰিব নাইবা বুৰ যাব ।